# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 24-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::***

জম্মু-কাশ্মীৰৰ পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক তিনিচুকীয়া জিলাৰ ডুমডুমা চেম্বাৰ্ছ অব কমাৰ্ছে তীব্ৰ গৰিহণা দিছে। আক্ৰমণত নিহত লোকসকলৰ প্ৰতি শ্ৰদ্ধা জনাই আয়োজন কৰা অনুষ্ঠানত অংশগ্ৰহণ কৰি ডুমডুমা ছেম্বাৰ্ছ অব কমাৰ্চৰ সভাপতিয়ে আজি এই বিষয়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ এই ঘটনাৰ সৈতে জড়িত সন্ত্ৰাসবাদীসকলক কঠোৰ হাতেৰে দমন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক দাবী জনাইছে।

ooooo

সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে ঢকুৱাখনা সমষ্টিৰ অন্তৰ্গত দাংধৰা পঞ্চায়তত আজি ভাৰতীয় জনতা পাৰ্টী আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ হৈ মন্ত্ৰী ডাঃ ৰণোজ পেগু নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত উপস্থিত থাকে। মন্ত্ৰী ডাঃ পেগুৰ সৈতে লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক নৱকুমাৰ দলেও নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। আজিৰ এই প্ৰচাৰ কাৰ্যসূচীত মিচিং স্বায়ত্বশাসিত পৰিষদৰ অধ্যক্ষ সুনীল পেগু, প্ৰাক্তন মণ্ডল, জিলা, মণ্ডল আৰু মৰ্চাৰ বিষয়ববীয়াসকল, শক্তিকেন্দ্ৰৰ প্ৰমুখ, বুথ সমিতিৰ সভাপতি, সম্পাদকসকল, জ্যেষ্ঠ কাৰ্যকৰ্তাসকল আৰু মিত্ৰজোঁটৰ শুভকাংক্ষী ভালে সংখ্যক লোক উপস্থিত থাকে।

ইপিনে লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে এখন সংবাদমেলৰ আয়োজন কৰা হয়। সংবাদমেলত জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতি, আৰক্ষী অধীক্ষক গুণেন্দ্ৰ ডেকা, এ ডি চি কুকিলা গগৈ, জিলা উন্নয়ন আয়ুক্ত ৰণজিৎ স্বৰ্গীয়াৰী, মুখ্য কাৰ্যবাহী বিষয়া মনোৰঞ্জন পায়েং আৰু অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

ooooo

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে আজি ডিব্ৰুগড় পৌৰ নিগম কাৰ্যালয়ৰ সমীপত অৱস্থিত পানী নিষ্কাষণ পাম্প পৰিদৰ্শন কৰি পাম্পটো সঠিকভাৱে কাৰ্যক্ষম হৈ আছে নে নাই বুজ লয়। ইয়াৰ পাছতে জিলা আয়ুক্তই জলসম্পদ বিভাগৰ বিষয়াবৰ্গৰ সৈতে মাৰোৱাৰি পট্টিৰ ডিটিপি ডায়েকত উপস্থিত হৈ এ ডি বিৰ অধীনত ৰূপায়ণ হৈ থকা সুৰক্ষামূলক কামকাজৰ অগ্ৰগতিৰ বুজ লয়। জিলা আয়ুক্তই ম'হানাঘাট, আইথানৰ নগাখেলিয়া আৰু মাটিকটা এলেকাত উপস্থিত হৈ সামগ্ৰিক পৰিস্থিতিৰ বুজ লোৱাৰ লগতে খহনীয়া প্ৰতিৰোধৰ কাম-কাজৰো খতিয়ান লয়। জিলা আয়ুক্তগৰাকীৰ এই পৰিদৰ্শন কালত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জলসম্পদ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰমুখ্যে অন্যান্য বিষয়াবৰ্গ উপস্থিত থাকে।

ooooo

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত যোৱা ২২ এপ্ৰিলৰ পৰা খাচী গছৰ খেতি আৰু কৃত্ৰিম ভেঁকুৰ সংস্থাপনৰ কৌশলৰ বিষয়ে অনুষ্ঠিত প্ৰশিক্ষণ কৰ্মশালাৰ আজি সামৰণি পৰে। মেঘালয়ৰ শ্বিলঙত অৱস্থিত উত্তৰ-পূব অঞ্চলৰ সামুহিক সম্পদ ব্যৱস্থাপনা সমিতিৰ অৰ্থ সাহায্যত চাৰিখন ৰাজ্যৰ কুৰি গৰাকী প্ৰশিক্ষাৰ্থীয়ে এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰে। যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড০ নীতিন কুলকাৰ্ণীয়ে কৰ্মশালাৰ উদ্বোধন কৰে। প্ৰশিক্ষণৰ আৰম্ভণিতে প্ৰশিক্ষণ সঞ্চালক ৰাজীৱ কুমাৰ কলিতা আৰু গৱেষণা প্ৰতিষ্ঠানটোৰ সমন্বয়ক তথা জ্যেষ্ঠ বিজ্ঞানী ড০ ৰাজীৱ কুমাৰ বৰাই অংশগ্ৰহণ কৰে। প্ৰশিক্ষণত প্ৰশিক্ষাৰ্থীসকলক খাচী গছৰ গুৰুত্ব, পুলি বাগান প্ৰস্তুতকৰণ, খাচী গছৰ বাৰী গঢ়ি তোলা আদিৰ লগতে আগৰৰ মূল্য সংযোজনৰ ক্ষেত্ৰত প্ৰশিক্ষণ আগবঢ়োৱা হয়। প্ৰশিক্ষণৰ শেষত অনুষ্ঠিত সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়।

০০০০০

তিনিচুকীয়াৰ জিলা আয়ুক্ত স্বপ্নীল পালে আজি তিনিচুকীয়া নগৰৰ বান পৰিস্থিতি পৰিদৰ্শন কৰে। আজি পুৱা হোৱা বৰষুণৰ ফলত তিনিচুকীয়া নগৰত উদ্ভৱ হোৱা আকস্মিক বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে তেওঁ তিনিচুকীয়া পৌৰসভাৰ নলা-নৰ্দমা নিৰ্মাণৰ সৈতে জড়িত বিভিন্ন বিভাগৰ বিষয়াৰ সৈতে কথা পাতে। আজিৰ এই পৰিদৰ্শন কালত জিলা আয়ুক্তগৰাকীয়ে স্থানীয় ৰাইজৰ সৈতে বাৰ্তালাপত মিলিত হৈ এই পৰিস্থিতৰ অৱসানৰ বাবে এখন কৰ্ম আঁচনি প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়াৰ কথাও প্ৰকাশ কৰে।

০০০০০

কোনো এবিধ সামগ্ৰী ব্ৰেণ্ড হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট সংগ্ৰাম কৰিবলগীয়া হয়। যদিহে এই উৎপাদনকাৰী বা উদ্যোগীগৰাকী অসমৰ থলুৱা উদ্যোগী হয় তেনেহ'লে তেওঁ অধিক সংগ্ৰাম কৰিব লাগে। এনে কেইগৰাকীমান উদ্যোগীক লৈয়েই পৰহিলৈ আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসমৰ তিনিগৰাকী নতুন উদ্যমীয়ে তেওঁলোকৰ সফলতাৰ কাহিনী ব্যক্ত কৰিব। এই অনুষ্ঠানৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

গুৱাহাটী মহানগৰীৰ বশিষ্ঠ আৰক্ষীয়ে আজি অবৈধভাৱে সৰবৰাহ কৰা ৮০ বস্তা ৰাজ সাহায্যপ্ৰাপ্ত ইউৰিয়া সাৰ জব্দ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে এজন গাড়ীচালকক আটক কৰিছে। ধৃত চালকজনৰ পৰা আৰক্ষীয়ে এখন বাহনত আলুৰ বস্তাৰ মাজত লুকুৱাই অনা ইউৰিয়া সাৰৰ বস্তাসমূহ জব্দ কৰে। বৰপেটাৰ পৰা মেঘালয়লৈ সাৰৰ বস্তাসমূহ লৈ যোৱা প্ৰচেষ্টা চলোৱা হৈছিল বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৰাজস্থান ৰয়েলছক জয়ৰ বাবে ২০৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ৰাজস্থান ৰয়েলছে টছত জিকি ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুক বেটিঙৰ বাবে আহ্বান জনায়। নিৰ্ধাৰিত

২০ অভাৰত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৫টা উইকেট হেৰুৱাই ২০৫ ৰাণ সংগ্ৰহ কৰে। বেংগালুৰুৰ হৈ বিৰাট কোহলীয়ে সৰ্বাধিক ৭০ ৰাণৰ বৰঙণি আগবঢ়ায়।

০০০০০

যোৰহাটৰ বিশিষ্ট চাহ খেতিয়ক তথা হুৰা চৰাই চাহ বাগিছাৰ স্বত্বাধিকাৰী ৰাজীৱ বৰুৱাৰ আজি এখন ব্যক্তিগত হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬২ বছৰ। ৰাজীৱ বৰুৱা বিশিষ্ট চাহ খেতিয়ক প্ৰয়াত হেমেন্দ্ৰ প্ৰসাদ বৰুৱাৰ ভতিজা আছিল। তেওঁ লায়নছ্  ক্লাব, জীমখানা ক্লাব, প্লেণ্টাৰ্ছ ক্লাব, আছাম টী প্লেণ্টাৰ্ছ এচ'ছিয়েছন আদিৰ সৈতে জড়িত আছিল। যোৱা কেইবাদিনো ধৰি বিভিন্ন শাৰীৰিক অসুস্থতাত ভুগি থকা ৰাজীৱ বৰুৱাৰ মৃত্যু অঞ্চলটোত শোকৰ ছাঁ পৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ